জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮৪৫/২০২০

# বিশিষ্ট লেখিকা, সাংবাদিক, গায়িকা তুলতুল বৰুৱাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ গভীৰ শোক প্ৰকাশ

**দিছপুৰ, ২২ ডিচেম্বৰ ঃ** বিশিষ্ট লেখিকা, সাংবাদিক, গায়িকা তুলতুল বৰুৱাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত প্ৰয়াত তুলতুল বৰুৱাই আমাৰ সাহিত্য, সাংবাদিকতা আৰু সাংস্কৃতিক জীৱনলৈ যি অৰিহণা আগবঢ়াই গৈছে সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। জ্ঞান গৰিমাৰে প্ৰোজ্বল এই গৰাকী সাহিত্যিকে বহু মূল্যৱান নিবন্ধ লিখিছিল। অনাতাঁৰ কণ্ঠ শিল্পী হিচাপেও এই গৰাকী শিল্পীয়ে আমৰ সাংস্কৃতিক জীৱন চহকী কৰি থৈ গৈছে। এগৰাকী সাংবদিক হিচাপেও তেখেতে নিষ্ঠাৰে সেৱা আগবঢ়াই গৈছে। গণতান্ত্ৰিক আৰু ধৰ্মনিৰপেক্ষ প্ৰমূল্য সমূহ সমাজ জীৱনত জীয়াই ৰখাৰ ক্ষেত্ৰত অহোপুৰুষাৰ্থ কৰা এই গৰাকী সাংবাদিকে বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত থাকি সেই অনুষ্ঠান সমূহৰ উত্তৰণৰ হ'কে কাম কৰি গৈছে। এইগৰাকী সাংবাদিক, লেখিকাৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত তুলতুল বৰুৱাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / প্ৰঃকুঃবঃ**
**২২/১২/২০২০**